
বুকু হম্ হম্ কৰে





বিধান সিংহ

অনুবাদ ঃ অৰুণ মহন্ত

ইণ্ডিয়া কণ্টিনেণ্টেল, গুৱাহাটী -১



গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী বিধান সিংহ উত্তৰ-পূব ভাৰতৰ এগৰাকী প্ৰতিষ্ঠিত লেখক তথা গৱেষক। তেওঁ নতুন দিল্লীস্থিত জাতীয় সংগ্ৰালয়ৰ পৰা *Museology*'ৰ ওপৰত প্ৰশিক্ষণ প্ৰাপ্ত। অসমীয়া, বাংলা, বিষ্ণুপ্ৰিয়া মণিপুৰী, হিন্দী আৰু ইংৰাজী ভাষা সমুহত সমান দক্ষতাৰে সাহিত্য-চৰ্চা কৰাৰ ওপৰিও বিধান সিংহই অনাতাঁৰ কেন্দ্ৰতো নিয়মীয়াকৈ উত্তৰ-পুৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনজাতিৰ লোক-সংস্কৃতিৰ বিষয়ে অনুষ্ঠান যুগুতিয়াই আগবঢ়াই থাকে। তদুপৰি, গুৱাহাটী মহানগৰ। তথা উত্তৰ-পুৰ্বাঞ্চলৰ বহু সংখ্যক পত্ৰ-পত্ৰিকাত শ্ৰীসিংহ মুক্ত-সাংবাদিক হিচাবেও বহু লিখা-মেলা কৰি থাকে। তেওঁ *বেলী* আৰু *Academy Review*'ৰ সম্পাদক আৰু গুৱাঁহাটীৰ পৰা প্ৰকাশিত ইংৰাজী দৈনিক পত্ৰিকা *The Newsfront*'ৰ কাৰ্যবাহী সম্পাদক হিচাপে কাৰ্য্য কৰি আগ বঢ়াইছিল। এতিয়ালৈকে বিভিন্ন ভাষাত প্ৰায় ২৪ খনৰো অধিক গ্ৰন্থ ৰচনা কৰাৰ ওপৰিও তেওঁৰ পঞ্চাশাধিক গৱেষণা পত্ৰ আৰু ভালেমান লেখান বিভিন্ন পত্ৰ-পত্ৰিকা, সাপ্তাহিকী, সাময়িকী, আলোচনী, স্মৃতিগ্ৰন্থ ইত্যাদিত প্ৰকাশ পাইছে।

Post Box No.278
Ghy. G.P.O.
Guwahati-781001

বুকু হম্ হম্ কৰে

বিধান সিংহ

অনুবাদঃ অৰুণ মহন্ত

ইণ্ডিয়া কন্টিনেন্টেল, গুৱাহাটী -১

গ্ৰন্থকাৰৰ আন গ্ৰন্থ সমুহ

(ক) প্ৰকাশিত পুথি ঃ

১। গুৰু শিষ্য চৰিতম (১-৯-১৯৮৭ ইং)

২। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কৱিতা কতহান (৮-৫-১৯৯৭ ইং)

৩। A Brief History of Sri Sri Bhubaneswar Sadhu Thakore (A great saint of North-East India), ৮-৫-১৯৯৭ ইং

৪। নিজৰাৰ পানী (১৪-১-১৯৯৭ ইং)

৫। বনবাসী (২-৪-১৯৯৭ ইং)

৬। চি'নৰ অৰল্যাণ্ডো মেজট্টা (ডিচেম্বৰ, ১৯৯৭ ইং)

৭। উত্তৰ-পূৰ্বাঞ্চলৰ লোক-সংস্কৃতি (১৯৯৯ ইং)

৮। লহৰ (২-৪-৯৯ ইং)

(খ) বিভিন্ন পত্ৰ-পত্ৰিকাত ধাৰাবাহিক ভাৱে প্ৰকাশিত গ্ৰন্থ ঃ

১। বৈঝিৰ উম-(নুৱা এলা, যোৰহাট ১৯৮২ ইং),

২। জীন ভালজীন (ত্ৰিপুৰা চে, আগৰতলা ১৯৮৪ ইং),

৩। অভিশাপ (বেলী, শিলচৰ, ১৯৮৫ ইং)

৪। পণ্ডিতৰ কৌলি (ত্ৰিপুৰা চে, আগৰতলা, ১৯৮৭ ইং)

৫। ইমা বুলিয়া আকখুকম মোৰে ডাক (নুৱা এলা, ১৯৮৭ ইং)

(গ) প্ৰকাশৰ বাৱে প্ৰস্তুত আন আন গ্ৰন্থ সমুহ ঃ

Folk-Culture of North-East , Melodies of the Other Days, হাজী গেভাৰ্দীন, দেৱযানী, মনাদা এণ্ড হিজ এডভেঞ্চাৰচ, অনুবাদ সমগ্ৰ, ঝাহাৰনি ডেংখৌ-তুইৰুনি তুই, দৈবদ্বীপ, বিষ্ণুপ্ৰিয়া মণিপুৰী মেয়েক, বিষ্ণুপ্ৰিয়া মণিপুৰী পৌৰেই,ভাৰতীয় জীৱন দৰ্শন আৰু পাশচাত্য সংস্কৃতি।

উপহাৰ

(খুত্তল)



BUKU HOM-HOM KORE

An Assamese-Bishnupriya Manipuri bi-lingual poetry collections of *Bidhan Sinha*, translated in Assamese by *Arun Mahanta* from the original work-*Banawasi* of the Author; published by India Continental. Price : Rs 50.00

প্ৰথম প্ৰকাশ (*নিজবাৰ পানী*) ঃ ১৪-১-১৯৯৭

দ্বিতীয় পূৰ্ণ সংস্কৰণ ঃ ২-৪-১৯৯৯

মুল্য ঃ ৫০.০০ টকা মাত্ৰ

উৎসৰ্গ

স্বদেশ আৰু স্বজাতিক
ভালপোৱা প্ৰতিগৰাকী সহৃদয়লৈ



বুকু হম্ হম্ কৰে

অসমীয়া আৰু বিষ্ণুপ্ৰিয়া মণিপুৰী দ্বি-ভাষিক কাব্যগ্ৰন্থ

গ্ৰাফিক্স আৰু কম্পিউটাৰ অনুলিখন
উত্তম কুমাৰ প্ৰধান

মুদ্ৰণ ঃ অনুৰাগ প্ৰধান
প্ৰধান প্ৰিন্টাৰ্স, ভৰলুমুখ, গুৱাহাটী - ৯

পাতনিৰ সুৰ

প্ৰথমতেই স্বীকাৰ কৰিব লাগিব উত্তৰ-পূৱ ভাৰতৰ বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্যকৰ্মী শ্ৰদ্ধেয় বিধান সিংহৰ *বনবাসী* আৰু *নিজৰাৰ পানী*'ৰ অস্তিত্বক। এই দুখন কাব্যপুথি তিনিটা ভাষাত সংপৃক্ত হৈ চহকী কৰিছে ভাষাকেইটিৰ সাহিত্যৰ ভঁড়াল। ভাষাকেইটি হ'ল ক্ৰমে বিষ্ণুপ্ৰিয়া মণিপুৰী, অসমীয়া (অনুবাদক – ড. জোছেফ মুছাফীৰ, মনালিচা আৰু পদ্ম গগৈ) আৰু বঙালী। উল্লেখযোগ্য যে তিনিওটা ভাষাতে সন্নিৱিষ্ট হোৱা কবিতাকেইটিয়ে সমান্তৰালকৈ গতি কৰিছে হৃদয়ৰ গুঞ্জন আভিব্যক্ত লক্ষ্যত। উক্ত দুয়োখন পুথিয়ে আমাৰ পঢ়াৰ সৌভাগ্য হৈছিল। কিয়নো কবিগৰাকীৰ উদাৰ উপহাৰ স্বৰূপে পুথি দুখন পাইছিলোঁ। পুথি দুখনৰ ভালেমান কবিতা গুৱাহাটী আৰু তেজু অনাতাঁৰ কেন্দ্ৰৰ যোগোদি ইতিমধ্যে সম্প্ৰচাৰিত হৈছে; লগতে সংস্কৃত হিন্দী, তেলেগু, নেপালী, ইংৰাজী, বড়ো, ককবৰক, কাৰ্বী আদি ভাষাতো পুথিখন অনুদিত হৈ গৈছে। এয়া নিশ্চয় উত্তৰ-পূৰ্বাঞ্চলীয় লোকৰ বাবে সৌভাগ্যৰে কথা। পুথি দুখনৰ কবিতাবোৰৰ শাব্দিক দিশ, তাৰ হৃদয়ৰ ব্যঞ্জনা, বাক্যৰ সহজ-সৰলতা, লাহি দেহৰ পৰশত আমাৰ 'মন-প্ৰাণ' ঝংকাৰিত হৈছিল। সম্ভাৱনাময় দ্যুতিৰে আমাৰ বিশ্বাস উজ্বল হৈ উঠিছিল। বেছিভাগ কবিতাৰ উপজীৱ্য বিষয়বস্তুৰে অতি সহজ-সৰল জীৱণৰ বাৰতা দিয়ে। কবি কবিতাৰে সজাগ হৈছে তেওঁৰ দৈনন্দিন জীৱন-আদৰ্শৰ কৰ্মৰাজিৰে। কৱিতা পুথি দুখনৰ কিছুমান কবিতা যদিও অসমীয়ালৈ অনুবাদ নকৰিলেও হ'ল হয় বুলি কোনোবাই দাবি কৰে, আমি নত শিৰে কব লাগিব যে, উত্তৰ পুৰ্বাঞ্চলৰ অসমীয়া ভাষাৰ সহোদৰ ভাষা বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষা, সাহিত্যৰ সোৱাদ আমি অসমীয়াত অনুবাদেৰেই হওক নতুবা

অভিযোজনা, মুঠৰ ওপৰত অসমীয়া ভাষাৰ কবিতা প্ৰেমী সকলৰ জ্ঞাতাৰ্থে তাৰ গঠন বা প্ৰকৃতি অবগত হোৱাটো কাম্য কৰোঁ।

সিংহদেৱৰ কবিতা কেইটি আমি যতো পাৰোঁ অসমীয়া ভাষা-সাহিত্যৰ অলংকাৰ পিন্ধাই কিছু সজাই-পৰাই লৈছোঁ। অৱশ্যে কবিতা কেইটিৰ অসমীয়া ৰূপ দিওঁতে কিছু উজুটি খাইছিলোঁ যদিও আমি কবিৰ আদৰ্শ, উপলব্ধি আৰু অনুভূতিক সমীহ জনাই গ্ৰহণ-বৰ্জনৰ পদ্ধতিৰে কাপৰ বোল দিবলৈ যত্ন কৰিছোঁ। কবিতাবোৰৰ অনুবাদখিনি আমি ব্যক্তিগতভাৱে সিংহদেৱক লিখি দেখুৱাইছিলোঁ আৰু তেওঁৰ মৌখিক অভিবাদনো পাইছিলোঁ। শ্ৰদ্ধেয় কবি সিংহদেৱে তেওঁৰ আনুভূতিক কবিত্ব মনৰ ভাৱনাৰে নৱ-সংস্কৰণ কবিতা পুথিখনিৰ নাম *বুকু হম্ হম্ কৰে* বুলি দিবলৈ অনুৰোধ কৰিছিল আৰু তাৰ মৰ্মেই এইখনিৰ নামকৰণ কৰা হ'ল।

সদৌ শেষত কবিলৈ কৃতজ্ঞতা জনাই মোৰ প্ৰিয় পাঠক সহধৰ্মীনী মুনাৰো (দীপশিখা দত্তৰ) শলাগ ললো। কিয়নো এই কবিতা কেইটি লিখাৰ পৰত তেখেতৰ আন্তৰিক প্ৰেৰণা আৰু শুভেচ্ছা আমাৰ বাবে যথেষ্ট উৎসাহজনক আছিল।

এতিয়া প্ৰত্যয় ৰাখিলো, পাঠক সমাজৰ সহৃদয়তা পাম বুলি। ধন্যবাদেৰে -

গুৱাহাটী

অৰুণ মহন্ত


অনুবাদক

কবিতা

দেৱালত আঁৰি থোৱা ছবিখনি
এন্দুৰ এটাই কুটিছিল
তুমি দিয়া চোলাটোৰ
জেপ এটা নাই
কাৰপেটৰ দলিচাৰে আৱৰা শোভা ঘৰত
পইতাচোৰাৰ অবাধ বিচৰণ
মই কবি কবিতাৰ।।

কবিতা


বেরহানাত টাঙেছি ফটকহান
উদুর আগে কাপের
তি দেছিলে আঙেইহানর
জেপ আগ নেই,
কারপেট পারেছি ড্রইংরুমগ
তেলচরাহানে বুজেছি,
মি বেরয়া কবিতা অরাউরি।।



গৰীয়সী

কোনে জানো মাতিছিল
এদিন বাৰিষা
সুদূৰ অতীতত
মই সুধিছিলো
কেলেই ?
মানুহ হোৱা......।।

মানুগ




মোরে সাত মাতৌহান কুঙ্গ আগৈ ডাকল'
নংসাঙৌল আকদিন,
বরিষার প'রে
মি আংকইলু -
কিয়াথাং ?
মানুগ অ ....।।

মই ধুমপান নকৰোঁ

এজনী ছোৱালী প্ৰীতিময়
প্ৰাণ ভৰি ভাল পাইছিল মোক
তাই কয় - তুমি সিগাৰেট খোৱা
শুৱাব
মই কৈছিলো -
মই ধূমপান নকৰোঁ।।

মি ধূমপান নাকরৌরি

নিঙল আগৈ মোরে ঠিকপেইল'
আকদিন মাতেছিলী,
তি সিগারেট পি
যে চুনাইতেই।
মি মাতলু ঃ
মি ধূমপান নাকরৌরি।।



সমীকৰণ

ডেউকা কোবাই দুটি চৰাই
নীল আকাশ
শাৰী শাৰী গছ
পোৱালিবোৰে উমলিছে
দূৰৈৰ গাঁৱত আমাৰ ঘৰ।।

সমীকরণ



পাহিয়া দুগ' পাক থাপারতারা,
নীলুরা হাকহান
মারল-মারল বিরুক
শৌ খেলতারা
গাঙে আমার ঘর।।

সময় বৈভৱ

সুদূৰ গজনীৰ সিংহাসনত
এদিন ৰাজত্ব কৰিছিলোঁ
সমস্ত পৃথিৱী সিদিনা
মোৰ আদেশত চলিছিল।
আজি সেই ৰাম নাই অযোধ্যাও
সময়ৰো বেলিমাৰ গ'ল
লেৰেলি শুকাল আমঠুৰ ৰং।।

ফরমান


গজনীর মসনদে
আকদিন রাজত্ব করেছিলু
দিন ঔহান মোর ফরমানে
পৃথিমীহান নিক্করেছিল।
ঔ হুনর এবাকা আর নেই,
আকদিন বেলুকা
হাবিতা টুগুইল।।



নীল নদীৰ ঢৌ

এটি দুটিকৈ লেখিছিলো
হোৱাংহোৰ বালিকণাবোৰ
মোৰ ভাগ্যৰ হিচাপ বিচাৰি
নীল নদীৰ ঢৌৰে
পৰিহাস কৰি কলে -
মই অহিম দুনাই ।।

কৌহাঙ




আকেইগী করে লেহেইলুতা
হুৱাংহুর লেঙৌ,
মিরাজহান মোৰেইতে।
নীল নদর ইথেই
সারলেদে মাতল,
মিতে আহিতৌ তেতনেয়া।।

উৎসৱৰ দিন

প্ৰকাণ্ড চিতল মাছটিয়ে মোলৈ
অপলক নেত্ৰে চাই আছিল।
চৌদিশে কোকিলৰ কু-কুউ
বসন্তৰ বা লাগি
মন ৰাই জাই কৰিছে
চাতকেও মুখ তুলি চাইছে বাৰম্বাৰ।।

গিন-তেইন-তা


এ'গ পারা চিতলগ চিংপাটি দিয়া
বেরয়া মোরে চেয়া আছে।
কোকিলর রহনহান
বসন্তর পৌহান আনের
নংকুপীগ হাংকৈ অয়া
গজেদে চেয়া আছে।।



নামকৰণ

বৰাকত চাৰিখন সেতু হ'ল
পিচে সেয়া মোৰ নামত এখনো নহয়।
আলোচনীবোৰত অৱশ্যে মোৰ নামত
দুই-এটা কবিতা ওলাইছে
তথাপিতো বন্ধু
অন্ততঃ বাট এটিৰ নাম
মোৰ নামতেই ৰাখাচোন।।

নামকরণ



বইরাকহানর গজেদে চারিহান পুল অইলথাঙৌ
মোরেল' আকহানৌ নাঙ নাথছি।
পত্রিকাত মেরাক-সেরাকে
মোর দুহান-আহান কবিতা নিকালতারা
গিরি-গিথানী, সুপ নাইলেউ
সড়ক আগর নাঙ
মোরেল' থৈ।।

অগণন

জীৱনক ভাল পাবলৈ
কোৱা হ'ল মোক -
মাথোঁ এবাৰ।
মই চাই আছো
এহেজাৰ বাৰ
নীলিম আকাশত।।

চিন্‌চিকি-মিন্‌চিকি

মোরে মাতানি অইলতা
ঠৈগ বানাপানী,
হুদ্দা আকখুরুম।
মি বিসারাউরিতা
ইনচিক্‌চিক হাক্‌হান
ৰঙ্গৰ হাজার খুরুম।।



বস্তুবাদ

ধৰ্ম বোলা এষাৰ কথা আছিল
থাকিব।
জাতি-বৰ্ণ এয়া মানুহৰে সৃজন
আজি যান্ত্ৰিকতাৰ নামত
মানৱৰ আস্ফালন
পৃথিৱীয়ে উচুপিচে।।

ঠুনিংশ্বা

ধৰ্ম বুলিল কিহান আহান আছিল,
থাইতৈসোত।
জাতি বৰ্ণ কিতা-কাতা এখুরুম নুকুলেছেতো
টেইপাঙ মানুয়ে
কলর ঠার টটরতারা
পৃথিমী ইমাই কাদিরী।।



সংগ্ৰাম

ইতিহাসৰ ইতিহাস হৈ ৰব
আৰু এক ইতিহাসৰ
নাম ঃ নেলচন মেণ্ডেলা
বৰ্ণ ঃ তিতা-কেহা
জাতি ঃ মানৱতা
ধৰ্ম ঃ সংগ্ৰাম
ঠিকনা ঃ পৃথিৱী।।

সংগ্ৰাম


ইতিহাস সাক্ষী থাইতৈ
আরাক আহান ইতিহাসর
নাঙহান ঃ নেলসন মেণ্ডেলা
মাচুহান ঃ তিতারা
জাতি ঃ মানবতা
ধৰ্ম ঃ সংগ্ৰাম।।



মৰীচিকা

দাঁত কেইটি দেখা গ'ল
জোনাকি চকুৰ দৰে
এটি ছাঁয়া
এটি ৰাতি
প্ৰেমিকা হ'ব হেনো
হি-হি কৈ হাঁহিছিল।।

কেকুক



দাতসুরি লিটকেছিল,
জিনজিনি দুগ,
ছেয়া আগ
মাম'ছে রাতিহান
ঠারুৱালী অর
পাক-পাকনি।।

অপাংক্তেয়

মঙ্গল গ্ৰহত এক আত্মীয় আছিল
এবিঘা মাটিৰ
খবৰ আহিছে
নামজাৰি হ'ব
পৃথিৱী অপাংক্তেয়।।

হেমেৰাক

মঙ্গল গ্ৰহত সাকেই আগ আছিল
পৌ আহেছে
বিঘা আহান বি
নামজাৰি অইতৈ,
পৃথিমী অপাংক্তেয়।।



চৰৈবেতি

গুৰুবাৰ, মে মাহৰ ৫ তাৰিখ
ওচৰা-ওচৰি বহিছিলোঁ
অনৰ্গল মুখ চলিছে।
ভুৱন পাহাৰ এটি মস্ত কবিতা
মাভৈঃ
চৰৈবেতি।।

চৰৈবেতি



মে'র ৫ তারিখ, সাকলসেল,
কাদাকাদি বহেছিলাং
কলিগ' মাহি মাতল।
ভুবনগৈ পুল্লাপ কবিতা আহান,
মাভৈঃ
চরৈবেতি।।

চিৰ সেউজীয়া গান

সৰগ আৰু মৰত
মাজত পৃথিৱী
এয়া কোনো নতুন কথা নহয়
প্ৰত্যুষ-অমানিশা-চন্দ্ৰমা
কোনো কাৰো নহয়
ৰ'দ-বৰষুণ-ধুমুহা
মোৰ আজন্ম সহোদৰ।।

হমাজি

স্বৰ্গ বারো মর্ত্য, হমবুকুত পৃথিমীহান
নুৱা য়ারিহান সুপৌ নাগৈ
দিন বারো রাতি, মাম বারো ণ্ডাল
কুঙ্গৌ কারকা নাগৈ
রইত বৌবরণ বৈচাল
তানু মোর হমাজি।।



দীন-ই-ইলাহী

মোৰ মৃতদেহৰ ওপৰত
শত-সহস্ৰ মন্দিৰ বনোৱা হ'ল।
ভাৰত নামৰ দেশ মোৰ স্বৰ্গ।
অযোধ্যাৰ ৰাম মন্দিৰ,
সাৰনাথৰ বৌদ্ধবিহাৰ,
অমৃতসৰৰ স্বৰ্ণ মন্দিৰ
পোৱামক্কা আৰু বৰদোৱা মোৰ পৱিত্ৰ তীৰ্থস্থান।।

দীন-ই-ইলাহী



মর মিতাগর গজে
আহৌগ মালঠেপ হৌঙেল।
ভারত নাওর দেশহান মোর স্বর্গ।
অযোধ্যার রাম মন্দির,
সারনাথর বৌদ্ধবিহার,
অমৃতসরর স্বর্ণ মন্দির বারো
মক্কা শরিফ মোর লৈইফাম।।

শ্যামলিমা

গছৰ পুলি এটি
আজিয়ে ৰুব লাগিছিল।
উঠানৰ তুলসীগছ,
শিৱবাড়িৰ বট বৃক্ষ
অথবা বাটৰ কাষৰ ক্যাসিয়াসবোৰ
মোৰ ফুস্ ফুস্, নিশ্বাস
এয়া আমানত নহয় কি ?

শ্যামলিমা


গাছ আকজারি
আজি রুৱানি থক'ছিল।
লৈইসাঙগর তুলসীজার,
মাহাদেব বাড়ীহানর খৈনাংজার
বারো সড়কগর খাংতার ক্যাসিয়াস,
মোর নিংশ্বাহান
ইয়মকরেছিতা নাগৈ ?



জল-তৰঙ্গ

নাঙলৰ ফালৰ মাটিকণো
মঙলুকাইৰ পুতেকে দাবি কৰিছিল
এচিকুট নিমখৰ বাবে
বৌজনীয়ে দলিয়াই দিব পাৰে
পেটৰ সন্তান
হায় কি দিন!
তেজ বৰষুণত আটায়ে তিতিছোঁ।।

কারেম




ফালহানর মাটিহানি
হারানর পুতকে কারেম করের
মইলকে নুন নেক্তি আহানরকা
নাইগাসর শৌগরে থংদিলো
ইলাক বিলাক নেই লপুকগ
বরণে তিঙিল।।

ঘিণ কৰোঁ

দুমুখীয়া মানুহক মই ঘিণ কৰোঁ
ঘিণ কৰোঁ প্ৰতাৰণা
বিশ্বাস ঘাতকতাই মানুহক অমানুহ কৰে
কৃতঘ্নতাক মই কাপুৰুষৰ
অভিব্যক্তিৰে চাওঁ ।।

লিচেং

থতার খেলাপীরে মি আলিপাউরি
আলিপাউরি প্রতারণা
বিশ্বাসঘাতকতা মানুরে
আমানু হংকরের
কৃতঘ্নতা ফেইটার লিচেং ।।



মানসী

কাহানিবা মই জানো কৈছোঁ
ভুৱন পাহাৰৰ শৃঙ্গই শেষ ?
এলাহ তোমাৰ বিলাস নহয়
যতো দোষ নন্দ ঘোষ
ৰুক্নী নৈ'ৰ বালিচৰ।।

মানসী



মি মাতেছিলুথাং
ভুবনগ নিয়ামপারা উচ্ ?
হুনরতে নেই
শিবশম্ভুর দোষ,
ঘাটর পারর লেঙৌ।।

কেদাৰনাথ

হাতত এপিয়লা পালই মাৰ্কা চাহ,
বি. এন. দেৰ সুৰা,
লাচিত বৰফুকন
মোৰ অতিথি হ'ব
পৰিচাৰিকাই সাজিছিল
দীঘলী পুখুৰীত কীৰ্ত্তন চলিছে ।।

কেদারনাথ

আতহানাত পালই'র চাহা খেরি,
বল্লাল সেনর সুরা,
রাণা সংগ্রাম সিংহ
মোর আপরবীগ
পালাউলী হাজেছিলা
পহরী পারগত কুমেই বহেছে।।



মঞ্জুষা

এগৰাকী ৰূপহীয়ে
মোলৈ চাই মিচিকি হাঁহিছিল
পিন্ধনত ভোমোকাফুলীয়া চাদৰ
ৰিক্সাৱালা এজনে
হাতখন দাঙি দিলে
অনবদ্য আৰোহী।।

মঞ্জুষা

নিঙল উঁগে মোরে চেয়া
সি করে মূক্সী দেছিলী
মৈরাংফি ইনাফিহান
রিক্সালাগ আত আহান
তুলেছিল
নামী আরেহীগ।।




সুৰভী

মই বিচাৰিছিলো
আম গছডাল এইবাৰ দুগ্ধবতী হওক
তুলসীৰ তলত চাকি জ্বলাম
সিদিনাখন বাৰু নিমৰ তলত
মাগুৰ বৰণ মানুহজনে
কি বিচাৰি বহিছিল ?

সুরভী

মি নিংকরেছিলুতাই
হেইনৌজার এখুরুম সেলকম দিতৈ,
তুলসীপুঙগত পুজা লাঙকরতৌ,
নিমজারির তলে
কালিরা মাচুর মানু উগ
কিয়াকা বহেরতা ?



সকৰুণ

শুকান শিলত ফুল ফুলে জানো
ভটিয়নি নৈ উজায় যায় ক'ত,
ভঙা কাঁচত দাঁগ থাকে,
সহিপৰা ফুল জহি-জহি যায়
নিষ্প্ৰাণ হয় তাৰ ঘ্ৰাণ
অসময় ফুলা ফুল
পূজাৰ বেদীত অশুচি হয় হায়!

বিকার



হিলরমা ফুল না শাতর
ঘাটহানর লামুনি পানি উজেয়া নাহের,
লিকলির চিলেই সুপৈলেউ চিনত থার,
জঙিয়া পরের ফুলগ সেংকরে না শাতর
বারো,
বেপরে শাতর ফুল
পুজাত নালাগের।।

চিকণ কালা

ভাগ্য ভাল সিদিনা সাইৰেণ
বজা নাছিল
ইন্দ্ৰনীলহঁত উগুল-থুগুল
মাচাঙত উঠি মচগুল
তিনি ছটাক মধুৰেণু
আঠ টকা পঁচিশ পইছা।।

চিকন কালা

হৌদিন সাইরেঙগ না রহেছিল
ইন্দ্রনীল গাসি ইরি-ইশাঙ বাধেছিলা
কেইরাক আহান -
তিন ছটাক খহি
আট টৈকা পচিশ পয়সা।।




তাজমহল

গোধূলী পৰত
ৰুক্‌নী নৈৰ পাৰেৰে
মোৰ শৱদেহ কঢ়িয়াই নিয়া দেখিছিলোঁ,
মাজ বাটত কৰযোৰে
এন্দুৰ এটিয়ে সেৱা দিলে
পানীৰাম নামৰ ল'ৰাজনে
মোৰ গাত নামাৱলীখন তুলি দিছিল।।

তাজমহল

তিরি সেন্দাত
রুক্‌নীহানাত মোর মিতাগ
কাইহানাত কাকরতে দেখলু,
চিক্কা উদুর আগ
পথগ থেতকরিয়া থাইল
খোকন নাঙর শৌগুলিয়ে
মোর নামাবলীহান বেরাছিল।।



ধূমকেতু

হেলিৰ ধূমকেতুৰ দৰে
এবাৰ আহিছিলা
আজি দুনাই সপ্তৰ্ষি মণ্ডল
পৰিক্ৰম কৰি
অমৰলোকত গুছি যাবা
তোমালৈ মই প্ৰতীক্ষা থাকিলো ।।

ধূমকেতু

হেলির ধূমকেতুগর সানে
মোর জীবনে তি খাংতা আহেছিলে
আজি সপ্তর্ষী মণ্ডল ফারিদিয়া
দ্যুলোকে সালছত
মি তোরকা
বাসেয়া থাইলু।।



বুদ্ধং শৰণং গচ্ছামি

শৰাইঘাটত বহি বীৰ লাচিতৰ
তৰোৱালৰ ঝনঝননি শুনিছোঁ।

বুলেটৰ আঘাতত
বুকু চিৰাচিৰ হৈছিল
কনকলতা..., সুদেষ্ণাৰ।

আজি মই সিহঁতৰ
কাৰাগাৰতে বন্দী হলোঁ।।

বুদ্ধং শরণং গচ্ছামি

চীনর প্রাচীরগত উবায়া
ইজিমেঙাসর থাংজাংহানর
ঝনঝনানি হুনৌরিতা,
যেতার লংবেইত বরকত
বারো মুদেষ্ণা গাসির
বুকুগী করত করত অছিল
আজি মি তানুর কয়েদীগ।।




অবলোকন

বেলি লহিয়াবলে কিছুক্ষণ বাকী
বেকীৰ ডঁৰিয়লিত বহিছোঁ
নাম ঘৰত ডবা বাজিছে
বাটৰ কাষৰ অমৰ গছবোৰ
বতাহত হালি-জালি নাচিছিল
ইয়াতো মই বৃক্ষ ৰোপণ কৰিম।।

কই ঠেক

বেলীহান হমানি বিত্তাছিল
বেকীগর ঠুটিগত বহেছিলু
মাহাদেব বারীহানাত ধামাইল অর
সড়গর খাংতার অমর গাছ
বৌহানে হেইরাপ লরের
মি এপেই গাছ রুৱৈইতৌ।।



মনালিচা

যদি মই চিত্ৰকাৰ হলোহেতেন
নিৰ্ভেজালকৈ আঁকিলোহেতেন
তোমাৰ ছবিটি।
ব্যস্ত কালিমন্দিৰ আজি জনহীন
ষাঁড় এটি কাষেৰে পাৰ হৈ গ'ল
নিৰলে বহি তোমাৰ কথাকেই ভাবিছিলোঁ।।

মনালিসা

মিরে হিত্তুমেরে গনকগ অইলুইছতে
তোর ফটকহান পাথাপে থাইলইছ।
কালীবাড়ীহান ইনচিকচিকছে,
মাহাদেবর বলডাগ
ফেইতুপ দিয়া গেলগা
মি তোরেই নিংশিঙ অছিলু।।



বিষাদ

ৰুক্নী নদীৰ এইখিনি ঠাই
কিছু অকাই-পকাই গৈছে।
এদিনাখন, এতিয়া মই য'ত বহি আছোঁ
মথাউৰিৰ কাম কৰিছিলোঁ
প্ৰবল বান আহিছিল।।

তৰেই


ৰুক্নীহানৰ এৰেপেই
ঠুটিগ নিকুলেছে।
আকদিন, যেপেই বহেছু,
মাটি থমকৰেছিলু
গোলাহান বপ'ছিল।।



পাঠশালা

মোৰ বুকুৰ সুগভীৰত
এখনি তালিকা আছে,
তালিকাৰ উৰ্দ্ধত তুমি আছা
তোমাৰ টিহটি আঙুলিৰ পাবত ধৰি
পাৰ হৈ আহিছিলো কুঁহিপাতৰ ঘৰ
আজি তুমি নদীৰ বুকুত বিলিন হ'লা
তুমি মোৰ ল'ৰালিৰ প্ৰিয় 'পাঠশালা'।।

পাঠশালা



মি ঠিকপাউরিতারমা
তি আগ,
তোরেল' ডাঙর অছু,
আজি তি ডঙররমা
গজেদে সড়কগ
তি মোর হুরুংকার
নুঙশীপা ইস্কুলগ।।

কালচক্ৰ

ভীষণ আপদীয়া দিনবোৰত
মই বৰ অকলশৰীয়া
অসহায় !
মানুহো টেঙা হ'ল
পালী-পহৰীয়াই দেমাকী দেখুৱায়
গপ মাৰি সোধে
মালিক গ'ল ক'লৈ ?

পঞ্চতন্ত্ৰ


সাচুকা দিন ঔতাত
মি আকখুলাগ,
মানু কহারা
দারোয়ানগৈ লৌদের,
হেবানিয়াউগতে কইতে ?



বেদুইন

ম'মৰ পোহৰকণো শেষ হৈ আহিল
উশাহৰো চমু চাপিল
নাভিৰ তলেৰে আলপনা আঁকা,
শস্যৰ থোৰ এটি জিলিকি আছে
চৌদিশে বেদুইন উখল্ মাখল্ ।।

অভিমন্যু



থংবেইহান পিলিক পিলিক
নিংশ্বাহান ঠুৰছিল
খইতুগ বাধেছি,
কামাৰী জিনাৰেই
কুৰুন্‌ডীয়ে ফং বহাছি ।।

উপলব্ধি

বাটৰ দাঁতিত এটি কুকুৰ
প্ৰাণহীন
ধিকিটি-ধিকিটি থৈইতা
আমপাত-নিমপাত
কান্দিছে কৰুণ।।

মেকা ভাত


সড়কগর খাংতাত
মরা কুকুর আগ
ধিকিটি-ধিকিটি থৈইতা
হেইনৌরপাতা নিমপাতা
হেকচেলয়া কাদলা।।



দেৱদাসী

তোমাৰ চুলিটাৰিৰ চিনাকি সুবাসত
মলয় পবন উদ্‌ৱাউল,
দেৱদাসীৰ অমৰা চকুত
চিক্‌মিক্ কৰিছিল
পুলকিত হিয়া
খিল খিলাই হাঁহিছিল সময়।।

দেবদাসী



তোর চুলকাতার নুঙশীপা গতহান
বৌহান গঙালাছিল,
দেবদাসীগ সানর
ডলডলা আহিথম,
নুঙশীপী,
খলকিয়া আহেছিলে।।

বীৰবল

এটি কলি দুটি পাত
ৰ'দ জল-মল
মেহনতী মানুহ
আস্তাকুড়ত বিড়ি হুপি
জিলি পোক ধৰে।।

বীরবল

চাহা বাগিচার কঙালা পাতায়
রইতহান জিলিক-মিলিক
মেহনতী মানু
বিড়ি পিতারা
জিনজিনি ধরতাই।।




কার্তুজ

ডবাপিটা বৰষুণত
প্ৰাণভৰি তিতিছিলোঁ
চকু দুটা আৰক্ত
হাত দুখনো অবাধ্য
মুখমেলতে বুলেটৰ শব্দ।।

কার্তুজ

বৌবৰণে আকদিন
কাৰাক পেলয়া হিনেইলু,
আহিথম মানা-ৰকতগ
আতহানি ইয়ৌচাছিল
থতাহান কেলয়া
বুলেট নুকুলিল।।



অবলোকন

কৃষ্ণ সাগৰৰ ঢৌত
জোঁৰ জ্বলিছিল।
হিৰণ্য কশিপুৰৰ হাতত মস্ত অস্ত্ৰ
মাছ ধৰিবলৈ নামিছিল
নিমখীয়া পানীত
সৰ্দিত মূমুৰ্ষ হ'ল।।

কলপুক


কৃষ্ণ সাগরর ইথেইত
জ্বি লাগেছিল।
হিরণ্য কশিপু ডাঙর মুরা আগলো
মাছ মারাত পানাছে
নুনুৱা পানিত
কাহানি থুঙোছিল।।



দেৱযানী

বুটাবচা পাটৰ সাজযোৰ পিন্ধাই
তোমাৰ মাৰাই উলিয়াই পঠাই দিছিল,
ন-বোৱাৰীৰ সাজেৰে সাজিছিলা।
কথা ছবিৰ ভাও চাই
ফেঁকুৰি ফেঁকুৰি কান্দিছিলা
কিলাকুটিটো হঠাৎ তোমাৰ গাত লাগিছিল
তুমি ভ্ৰুক্ষেপেই নকৰিলা।।

দেবযানী



তোর মালকে বেনারসী শাড়িহান
পিদাদিয়া সালকরেদেছিলী,
নুৱা কইনাগ মালছিলে।
টকীরমা তি হেকচেলয়া কাদলে
বেরয়া আকথুরুম
মোর কহনীগ তোরাঙ থেঙোছিল
তি না উঙোছিলে।।

সা-ৰে-গা-মা-পা

আজিও মনত পৰে
ক্লান্ত তোমাৰ কিচ্মিচ্ ওঁঠ দুটিলৈ
আৰু মৃগ নয়ন চাৱনি ভৰা চকুযোৰি।
কপৌ ফুলৰ সুবাসে ভৰা
কলদিলীয়া তোমাৰ খোপাৰ কুন্তল।।

তাই-রিত-না-তোনা


মি এবাকডি নিংশিঙ অউরি
ঠুরছিল তোর কিসমিস অটগী
বারো অরিঙি আহিথম।
তোর জুড়াগর চুলকাতা
হেইনৌ ফুলর সানে নুঙশী।।



নিজৰাৰ পানী

বৰষুণে তিতা
ৰজনী গন্ধাৰ কথা
কোনে বাৰু ভাবিছিল
বাহী সময়
কবিতা মোৰ সহচৰী।।

হুচিকা



তিঙারা কুণ্ডলেই,
তুমি মোর য়ারি
নাও টটরারাই,
বেলুকা
কবিতা মারুপী।।

ব'হাগ

কিযে বিষণ্ণ সময়ত
তুমি আহিছিলা,
সিদিনা তোমাৰ কমলা ওঁঠত
টপাটপে আলপনা আঁকিছিলোঁ
মিথিংগা সাজিছিল নৱৰূপত।।

পৰানধন


গৰণ ধৰেছিল দিন আহান
তি আহেছিলে,
তোৰ ইনাফিহানাত
মৈইথংহান পুসেছিলু
পৃথিমীয়ে হাংটৈহৰী।।



নিষ্প্ৰাণ পৃথিৱী

প্ৰবল ধুমুহাত
গৃহহাৰা হ'ল পখী
কৰ্ম ব্যস্ততাময় প্লেটফৰ্ম
চাহৰ টিপ' টৰ শব্দ
শালিকাহাল আহাৰত মগ্ন।
বতাহ নিস্তব্ধ।।

লামচিক




বৌবরণে কুরুসুমইল
বাবুই পাহিয়াগর জমহান
প্লেটফর্মর আতিলপা লৌ
চাহার ঠন ঠনানি
চেরৌ দুগ মাচাকে মৈইখ্যু
বৌহান ইস্পানি।।

বলিদান

জীৱনৰ শেষ বিন্দু তেজ
তোমাৰ নামতেই
উৎসৰ্গ কৰিলোঁ
দেৱাল ঘড়িত তাৰ শব্দ
টিক্ টিক্ টিক্ ।।

লকতাক

মোর আকেই ফুটা রকত
তোর নাঙে
লাৎকরলু
ঘড়ির কাটাগ
মোরে মাতার ।।



জোনালী

সূৰুযৰ পিনে লক্ষ্য কৰিছিলো
অভ্যস্ত কাঁড় এপাত,
অব্যৰ্থ ।
চন্দ্ৰ গ্ৰহণৰ দিন
ফুল কুঁৱৰীৰ অভিষেক।।

•

ফেনধনুক

বেলীহান মাপা করিয়া
কাপদেছিলু,
লৈইলেক নাছিল ।
গরণর দিন
ফুলকুমারীর অভিষেক।।



প্ৰতিমা

ব্ৰোঞ্জৰ নিথৰ মুৰ্তিটো
গ্ৰীক দেৱীৰ হ'ব
কোণাৰক্ নহিবা অজন্তা-ইলোৰা'ত
বনবাসী মোৰ
মানস প্ৰতিমা।।

প্রতিমা


ব্রোঞ্জঁর ঔরে নিথর মুর্তিগ
গ্রীক দৌ জেলাগ অইতৈ
কোণারক নাইলে অজন্তা-ইলোরাত
বনবাসী মোর
মানস প্রতিমা।।



বালক কৃষ্ণ

বৃক্ষৰোপণ কৰিবলৈ
তোমাক আমন্ত্ৰণ জনাইছিলোঁ
এটি জীৱনৰ বিনিময়ত
আৰু এটি প্ৰজন্ম বিচাৰোঁ
গছ মোৰ প্ৰাণ।।

বালকৃষ্ণ



তোৰে গাছ আকজাৰি
ৰুৱানিৰকা ডাহেছিলু ,
জীৱন আহানলো
নুৱা টৈইপাঙ আহান হংকৰিক
গাছজাৰিত মোৰ ঠৈগ।।

এজন অনুজ কবিৰ প্ৰতি

আমাৰ বাবে বিধান সিংহ এগৰাকী কবি ইতিমধ্যে সাহিত্য সাধনাত ব্ৰতী বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাৰ পৰিশ্ৰমী লেখক বিধান সিংহৰ একাধিক গ্ৰন্থ প্ৰকাশ পাইছে।

অতি সুখৰ খবৰ যে এইবাৰ বিধান সিংহৰ অসমীয়া ভাষাত ৰচিত আন এখন কাব্য গ্ৰন্থ প্ৰকাশৰ পথত পাণ্ডুলিপি অৱস্থাত পঢ়াৰ সুযোগ পালোঁ।

আমি লক্ষ্য কৰিছোঁ যে কবি গৰাকীয়ে এক ব্যঞ্জনাংশী কাব্যিক ভাষা আয়ত্ব কৰাৰ বাবে সযতনে আগবাঢ়িছে। জীৱনৰ চডপাশৰ জগত-খনৰপৰা কবিতা সৃষ্টিৰ সমলখিনি বুটলি লৈ যিখিনি কবিতা ৰচনা কৰিছে সেইখিনি কবিতাৰ মাধ্যমত প্ৰকাশ পাইছে জীৱনবোধৰ গভীৰ উপলব্ধি। কবিৰ আনুভৃতিক জীৱনৰ উপলব্ধিয়ে পৰশা চুটি চুটি কবিতা সমুহৰ ভাষাৰ ইংগিতময়তাই প্ৰকাশ কৰিছে আধুনিক মানুহৰ প্ৰেম, বিশ্বাস, বিষাদ আদিক।

শেষত এটা কথা উল্লেখ কৰিব খোজোঁ যে বিধান সিংহৰ ভিতৰৰ কবি-মনটো বিক্ষিপ্ত হৈ আছে তেওঁৰ কবিতাবোৰৰ মাজত।

অনুজ কবিগৰাকীৰ কাব্যিক উত্তৰণ কামনা কৰিলোঁ।

ৰবীন্দ্ৰ বৰা

১৫ জানুৱাৰী' ৯৯

অম্বিকাগিৰী নগৰ,
গুৱাহাটী-২৪

সমালোচকৰ দৃষ্টিত বিধান সিংহ

বিধান সিংহ এগৰাকী প্ৰতিভাসম্পন্ন কবি। তেওঁৰ ৰচিত বনবাসী নামৰ কবিতা সংকলন খনৰ বিষ্ণুপ্ৰিয়া মণিপুৰী কবিতা কিছুমানৰ অসমীয়া ভাঙনি আপোনালোকে পঢ়িবলৈ পাব। অসমীয়া কবিতাৰ ভাঙনি খিনি পঢ়ি সোৱাদ পাব পৰি।

বিধান সিংহৰ ৰচনাত পৰিমিতি বোধ আৰু সৌন্দযৰ প্ৰত্যক্ষতা আছে। [illegible] স্বচ্ছতা, বিষয়বস্তুৰ সংগতিপূৰ্ণ ৰূপান্তৰ সঠিক মেজাজেৰে প্ৰকাশ পাইছে। কবিৰ যি [illegible] তাত সংস্কাৰৰো ইংগিত আমি দেখিবলৈ পাইছো। মানবিক মুখছবি, কবলৈ গলে, [illegible] কবিতাত জিলিকি আছে। কবিৰ কাব্যিক মুৰ্চ্ছনা গতিময়। সমাজ [illegible] আধুনিক গতিময়তা বুলিব পাৰি। এই অৰ্থত বিধান সিংহ কিছু পৰিমানে অগ্ৰসৰ [illegible]

অতিৰিক্ত প্ৰশংসা কৰি কবিৰ ক্ষতি সাধন নকৰো। মোৰ স্নেহাশীৰ্বাদ জনাইছোঁ বিধান সিংহক।

৩১·১২·৯৮

[illegible]

চেনিকুঠি, [illegible]

●

দৈনিক জনমভূমি'ৰ দেওবৰীয়া পৰিপূৰিকাত ([illegible] ১৯৯৭)
"*নতুন কবি, কাব্যগ্ৰন্থ আৰু সমালোচনা*" শীৰ্ষক প্ৰকাশিত [illegible]
নিজৰাৰ পানী কাব্য গ্ৰন্থ সম্পৰ্কে সমালোচক কুতুবুদ্দিন আহমেদে কৰা মন্তব্য :

"..... এখন অভিনৱ কবিতা সংকলনৰ কথাৰে আলোচনাটি সামৰিব বিচাৰিছো। অভিনৱ বোলা হৈছে এই কাৰণে যে বিষ্ণুপ্ৰিয়া মণিপুৰীত ৰচনা কৰা কবিতা আৰু [illegible] অসমীয়া ভাঙনিৰ সংকলন এইখনেই এগৰাকী নবীন কবিৰ কাপৰ [illegible] নবীন কবিৰ নাম বিধান সিংহ আৰু সংকলনটি হৈছে *নিজৰাৰ পানী*। ইয়াত আছে বিষ্ণুপ্ৰিয়া মণিপুৰীত ৰচিত দুই ডজন স্তৱক। ইবিলাকক অসমীয়ালৈ ভাঙিছে যথাক্ৰমে [illegible] মোছাফীৰ, পদ্ম গগৈ আৰু মনালিচাই। অবশ্যে অসমীয়াত [illegible] হৈছে। উৰ্দু কবিতা, জাপানী কবিতা আৰু হ্ৰস্ব স্কেছৰ দৰে কবিতাৰ [illegible] হৈছে। বেঁছিবাগ কবিতাতেই বিষয়বস্তু হৈ ধৰা দিছে প্ৰেম আৰু প্ৰকৃতিয়ে। [illegible] নিৰ্মিত দুই-তিনিটা কবিতাত কবিয়ে অপৰূপ ছন্দ আৰু দৃশ্য সজ্জাৰ [illegible] *নিজৰাৰ পানী* কবিতাটো এনে ধৰণৰ - *যুগ যুগত তিতি থকা*। [illegible] *কেতিয়াবা ভাবিছিল নে ?*। [illegible]

বিধান সিংহৰ কবিতাই কেতিয়াবা নামকৰণত [illegible] *ইতিউতি, শংখচুড়, নিসৃতি* শুদ্ধ নামকৰণ হৈছে বুলি ক'ব নোৱাৰি। অৱশ্যে ইয়াৰ বাবে অনুবাদকৰ ভাষ্যও আমি গ্ৰহণ কৰিব লাগিব। বিধান সিংহই [illegible] আৰু ব্যঞ্জনাৰ সুক্ষ্মধৰ্মিতাৰ লগতে যদি আত্মধ্যানী গুঞ্জন মঞ্জুৰিত হয় তেতিয়া [illegible] সংগমত অবিনাশী কাব্যিক সম্পদ অচিৰেই সৃষ্টি হ'ব। এই কামনা নিশ্চিত ভাবে [illegible]।"